## দিছপুৰ মহাবিদ্যালয়ত এন চি চিৰ নৌ দিৱস উদ্‌যাপন

# ভাৰত-পাক যুদ্ধৰ নৌ সেনানীক সন্মান



**গুৱাহাটী, ৫ ডিচেম্বৰ ঃ** দিছপুৰ মহাবিদ্যালয়ৰ ৪৮ অসম নৌ এন চি চি গোটৰ উদ্যোগত কালি দিনজোৰা কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ প্ৰতিমা বৰুৱা পাণ্ডে প্ৰেক্ষাগৃহত 'ভাৰতীয় নৌ দিৱস-২০২৪ তথা ১৯৭১ ভাৰত-পাক যুদ্ধৰ বীৰ সৈনিকৰ সম্বৰ্ধনা অনুষ্ঠান' উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানৰ স'তে সংগতি ৰাখি ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধৰ নৌ সেনানীক সন্মান আৰু সম্বৰ্ধনা জনোৱা হয়। দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভাৰতীয় সেনাৰ উচ্চ পদস্থ বিষয়া ব্ৰিগেডিয়াৰ অজিত কুমাৰ বৰা (ভি এছ এম), গ্ৰুপ কমাণ্ডাৰ, গুৱাহাটী এন চি চি গ্ৰুপ, সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে কম'ডৰ কমলেশ চন্দ্ৰ চৌধুৰী (ভি এছ এম, অৱসৰপ্ৰাপ্ত)। উক্ত অনুষ্ঠানটোৰ আঁত ধৰে মহাবিদ্যালয়ৰ এন চি চি গোটৰ চি টি অ' সুতীব্ৰ মালাকাৰ আৰু ছেৰলিন ইংজাইপিয়ে। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে লেফটেনেণ্ট কমাণ্ডাৰ দেৱানন্দ দলে। অনুষ্ঠানৰ স'তে সংগতি ৰাখি আয়োজন কৰা সম্বৰ্ধনা অনুষ্ঠান ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধৰ সেনানী লক্ষ্মী গগৈক সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষই আদৰণী ভাষণেৰে আৰম্ভ কৰা অনুষ্ঠানটোত প্ৰতিগৰাকী অতিথিয়ে নৌ দিৱসৰ তাৎপৰ্য আৰু সমাজত এন চি চিৰ প্ৰায়োগিক দৃষ্টিভংগী সম্পৰ্কে বিশদ ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধত নৌ সেনাৰ সামৰিক বিজয়ৰ কেন্দ্ৰস্বৰূপ 'অপাৰেচন ট্ৰাইডেণ্ট'ৰ বিষয়ে জন চেতনা জাগ্ৰত কৰাৰ লক্ষ্যৰে দিছপুৰ মহাবিদ্যালয়ৰ এন চি চি গোটৰ দ্বাৰা নিৰ্মিত এখন তথ্যচিত্ৰ মুকলি কৰা হয়। লগতে এই গোটৰ বাৰ্ষিক সংবাদপত্ৰ 'বিকন' উন্মোচন কৰা হয়। ইয়াৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ শিবিৰত যোগদান কৰা দিছপুৰ মহাবিদ্যালয়ৰ এন চি চি গোটৰ কেডেটসকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ শেষত মহাবিদ্যালয়ৰ অধ্যাপক তথা এন চি চি, চি টি অ' সুতীব্ৰ মালাকাৰে শলাগৰ শৰাই আগবঢ়ায়।